# এছীয় কুংফুত সোণৰ পদক ৰিজু ৰাজলৈ




গুৱাহাটী, ২৩ জুলাই ঃ অলপতে ঢাকাত অনুষ্ঠিত দ্বিতীয় এছিয়া কুংফু-উশ্বু প্ৰতিযোগিতাত অসমৰ ৰিজু ৰাজ পাত্ৰই ৩১-৩৫ কেজি শাখাৰ ফাইট ফৰ ডিফেন্স প্ৰতিযোগিতাত সোণৰ পদক লাভ কৰিছে। এ পি জে কোম্পানীৰ শুকানগুৰি চাহ বাগিচাৰ সুশীল পাত্ৰৰ পুত্ৰ ৰিজু ৰাজে ইয়াৰ আগেয়ে ৰাজ্যিক তথা সৰ্বভাৰতীয় প্ৰতিযোগিতাত ভালেমান সফলতা লাভ কৰিছে। তেওঁ তিনিচুকীয়াস্থিত ব্ৰহ্মপুত্ৰ জাতীয় বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ।